**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 12-05 Hrs.

***Assamese Bulletin***
-----------------------------

প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু প্ৰসিদ্ধ বিজ্ঞানী ড০ এ পি জে আব্দুল কালামৰ আজি জন্ম বাৰ্ষিকী। ড০ এ পি জে আব্দুল কালামৰ শিক্ষাৰ প্ৰতি নিষ্ঠাৰ সন্মানাৰ্থে আজিৰ দিনটো বিশ্ব শিক্ষাৰ্থী দিৱস হিচাপে পালন কৰা হৈছে। এই দিৱসৰ মূল বিষয়বস্তু হৈছে- পৰিৱৰ্তনৰ অভিকৰ্তাৰূপে শিক্ষাৰ্থীসকলৰ সৱলীকৰণ। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ চিন্তা আৰু পৰিকল্পনাই দেশৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ড০ এ পি জে আব্দুল কালামক স্মৰণ কৰি কৈছে যে, ভৱিষ্যদৰ্শী নেতাগৰাকীয়ে লাখ লাখ লোকক বিকশিত আৰু শক্তিশালী ভাৰতৰ হকে কাম কৰিবলৈ উদ্বুদ্ধ কৰিছে। যুৱ প্ৰজন্মই ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ তেওঁৰ অভিযান আগুৱাই লৈ যোৱা উচিত বুলি তেওঁ মন্তব্য কৰিছে।

০০০০০০০

প্ৰসিদ্ধ শিল্পী জয়ন্ত হাজৰিকাৰ আজি মৃত্যু তিথি। তেওঁ ১৯৭৭ চনৰ আজিৰ দিনটোতে ৰাজ্যৰ সংস্কৃতিৰ পথাৰ উকা কৰি চিৰদিনৰ বাবে গুছি গৈছিল। তেওঁ একেধাৰে গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা গায়ক আছিল। শিল্পীগৰাকীয়ে ৬০ দশক অসমীয়া সংগীত জগতত আত্মপ্ৰকাশ কৰিছিল। ৰানাদা নামেৰে জনপ্ৰিয় জয়ন্ত হাজৰিকা গীতে-মাতে শ্ৰোতাসকলক অনন্য আমোদ প্ৰদান কৰি আহিছে। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰসিদ্ধ শিল্পীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যম যোগে কৈছে যে, জয়ন্ত হাজৰিকাৰ যাদুকৰী কণ্ঠ আৰু সুৰৰ স্বকীয় শৈলীয়ে অসমীয়া সংগীতক নতুন আয়তন দিছিল। প্ৰতিটো প্ৰজন্মৰ শিৰাই শিৰাই প্ৰবাহিত হৈ থকা শিল্পীগৰাকীৰ গীতসমূহে তেখেতক প্ৰতিগৰাকী শ্ৰোতাৰ হৃদয়ত চিৰকাল জীয়াই ৰাখিব বুলি তেওঁ প্ৰকাশ কৰিছে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ আহিব। ভ্ৰমণকালত শ্ৰী ধনখড়ে শ্বিলঙৰ মাওদিয়াংদিয়াঙত মেঘালয় দক্ষতা আৰু উদ্ভাৱন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে শ্বিলঙৰ তথ্য প্ৰযুক্তি উদ্যান আৰু ৰাজভৱন পৰিদৰ্শন কৰিব আৰু মুখ্যমন্ত্ৰী তথা অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০

মৰিগাঁও জিলা প্ৰশাসনে কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস উদযাপন কৰিছে। এইবাৰ এই দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা-সংস্কৃতি আৰু আৰ্থসামাজিক প্ৰতিটো দিশ সামৰিলৈ বিকাশৰ নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। গৱেষণামূলক কৰ্মপন্থা আৰু নাগৰিকসকলৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ উন্নয়নৰ সম্ভাৱনাসমূহ চিনাক্ত কৰাৰ বাবে এই দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি পুৱা অৰ্থনৈতিক **পৰিৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ বিভিন্ন সম্ভাৱনা** বিষয়ত যুৱ সমাৰোহৰ আয়োজন কৰা হৈছে। তদুপৰি কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। এই সন্দৰ্ভত সবিশেষ জনাইছে মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে-

**-ভইচ কাষ্ট-**

০০০০০০০

বিহাৰৰ পাটনাত অনুষ্ঠিত ৰাষ্ট্ৰীয় ডবা প্ৰতিযোগিতাৰ ১৪ বছৰ অনুৰ্ধৰ ছোৱালী শাখাত গোলাঘাটৰ অনামিত্ৰা গোৱালাই ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। জিলাখনৰ বনগাঁৱৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰীগৰাকীৰ সাফল্যত স্বাভাৱিকতে অঞ্চলবাসীয়ে আনন্দ প্ৰকাশ কৰিছে। সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি ভৱিষ্যতৰ দিনত অধিক প্ৰশিক্ষণ গ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ আশা কৰাৰ লগতে অসমৰ গ্ৰামাঞ্চলত ডবা খেলৰ প্ৰসাৰৰ বাবে পদক্ষেপ ল'বলৈ অনামিত্ৰাই চৰকাৰ তথা ক্ৰীড়া বিভাগক আহ্বান জনায়ছে।

০০০০০০০

নগাঁও জিলাৰ ৰাঙলুৰ ১১ মাইলত কালি বিয়লি এটা ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ১১ মাইল বজাৰৰ সন্মুখত এখন ট্ৰাক আৰু টেম্পোৰ মাজত সংঘটিত হোৱা দুৰ্ঘটনাটোত এগৰাকী মহিলা থিতাতে নিহত হয়। ইপিনে দুৰ্ঘটনাটোত আহত চালকসহ তিনিগৰাকী মহিলা আৰু এটি শিশুক স্থানীয় ৰাইজ তথা আৰক্ষীয়ে উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

সমাপ্ত